# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা ১৯ অক্টোবৰলৈ আলজেৰিয়া, মৰিটানিয়া আৰু মালাৱি ভ্ৰমণৰ কাৰ্যসূচীৰে ৰাওনা হ'ব।

২। দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী বা দশেৰা পালন কৰা হৈছে।

৩। বাতবিষজনিত পেশী- কংকালৰ সমস্যা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সৃষ্টি কৰা উদ্দেশ্যে সমগ্ৰ দেশতে বিশ্ব Arthritis বা বাত বিষ দিৱস পালন কৰা হৈছে।

৪। ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব।

*আৰু*

৫। শ্বাৰজাহত অনুষ্ঠিত হ'বলগীয়া মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-এৰ এখন খেলত নিউজিলেণ্ড শ্ৰীলংকাৰ মুখামুখি হোৱাৰ বিপৰীতে গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশ দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈৰ পৰা ১৯ অক্টোবৰলৈ আলজেৰিয়া, মৰিটানিয়া আৰু মালাৱি ভ্ৰমণৰ কাৰ্যসূচীৰে ৰাওনা হ'ব। এয়া হৈছে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে তিনিখন আফ্ৰিকান দেশ ভ্ৰমণ কৰা প্ৰথমটো যাত্ৰা। ভাৰতৰ অধ্যক্ষতাৰ সময়ত আফ্ৰিকান সংঘই জি-২০ত স্থায়ী সদস্য হিচাপে স্থান লাভ কৰাৰ এবছৰৰ পাছত কৰা এয়া হৈছে প্ৰথমটো ঐতিহাসিক যাত্ৰা। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈৰ পৰা ১৫ অক্টোবৰলৈ আলজেৰিয়া ভ্ৰমণ কৰিব। এই সময়ছোৱাত তেওঁ আলজেৰিয়াৰ ৰাষ্ট্ৰপতি আব্দেলমছজিদ টেবনৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ৰাষ্ট্ৰপতিয়ে লগতে ভাৰত-আলজেৰিয়া অৰ্থনৈতিক মঞ্চ আৰু ছিডি আবডেল্লাহ বিজ্ঞান আৰু প্ৰযুক্তি পল বিশ্ববিদ্যালয়ত ভাষণ প্ৰদান কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মৰিটানিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ ৱলড শ্বেইখ এল ঘাজোৱানৈৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ভ্ৰমণৰ অন্তিম দিনা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মালাৱিত উদ্যোগপতিসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

০০০০০০০০০

দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী বা দশেৰা পালন কৰা হৈছে। ভগৱান ৰামৰ ৰাৱণৰ বিৰুদ্ধে জয়ৰ স্মৃতিত পালন কৰা এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভশক্তিৰ বিজয়ক সূচায়। এই উৎসৱে নৱৰাত্ৰি আৰু শাৰদীয় দুৰ্গোৎসৱৰো সামৰণি পৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিজয়া দশমী উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তা যোগে কৈছে যে, এই উৎসৱে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ বিজয়ক সূচায়। তেওঁ কয় যে, এই উৎসৱৰ সৈতে মৰ্যাদা, কৰ্তব্য পৰায়নতা, সদাচাৰ, বিনয় আৰু সাহসিক সংঘৰ্ষৰ ভালেমান প্ৰেৰণাদায়ক কাহিনী জড়িত হৈ আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আস্থাৰ এই উৎসৱে সকলোৰে জীৱনলৈ সাফল্য, সমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক বিজয়া দশমীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, মা দুৰ্গা আৰু শ্ৰীৰামৰ আশীৰ্বাদত সকলোৰে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে জয়লাভ কৰিব পাৰিব।

000000000

আজি বিজয়া দশমী। পশ্চিমবংগতো আজি শাৰদীয় দুৰ্গোৎসৱৰ সামৰণি পৰে। সেন্দূৰ খেলা আৰু ধুনুচি নাচৰ পিছত দুৰ্গাৰ মূৰ্তিসমূহ নদীত বিসৰ্জন দিয়া হয়। আমাৰ কলাকাতাৰ সংবাদাতাই জনোৱা মতে অহা মঙলবাৰে কলকাতা দুৰ্গা পূজা কাৰ্নিভালৰ আয়োজন কৰা হৈছে। য'ত আন্তঃৰাষ্ট্ৰীয় দৰ্শকৰ উপস্থিতিত কিছুমান শ্ৰেষ্ঠ পূজা মণ্ডপৰ মূৰ্তি প্ৰদৰ্শন কৰা হ'ব।

000000000

আজি বিশ্ব Arthritis বা বাত বিষ দিৱস। বাতবিষজনিত পেশী- কংকালৰ সমস্যা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে সজাগতা সৃষ্টি কৰাই হৈছে এই দিৱস পালনৰ মূল উদ্দশ্যে। এই বছৰৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- *Informed Choices, Better Outcomes*।

আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত এইমছৰ বাত বিষ বিভাগৰ মুৰব্বী চিকিৎসক ডাঃ উমা কুমাৰে বাত বিষ উপযুক্ত চিকিৎসাৰ বাবে চিনাক্তকৰণৰ গুৰুত্ব প্ৰদান কৰিছে। সামাজিক মাধ্যমত লাভ কৰা তথ্যৰ জৰিয়তে চিকিৎসা নকৰিবলৈও তেওঁ আহ্বান জনায়। ধূপপান, মেদবহুলতাৰ লগতে চিকিৎসাৰ একাধিক বিকল্পৰ দৰে বিপদজ্জনক কাৰকসমূহৰ ওপৰতো ডাঃ কুমাৰে আলোকপাত কৰে।

00000

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাত ২-০ ফলাফলত আগবাঢ়ি থকা ভাৰতীয় দলে আজি খেলখনত জয়লাভ কৰি জয়ৰ ধাৰা অক্ষুন্ন ৰখা আৰু বাংলাদেশৰ বিৰুদ্ধে আটাইকেইখন খেলতে জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰাৰ চেষ্ট চলাব। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

00000000

শ্বাৰজাহত অনুষ্ঠিত হ'বলগীয়া মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-এৰ এখন খেলত নিউজিলেণ্ড শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি চাৰে ৩ বজাত আৰম্ভ হ'ব। আনহাতে আজি সন্ধিয়া আৰম্ভ হ'বলগীয়া গ্ৰুপ-বিৰ খেলখনত বাংলাদেশ, দক্ষিণ আফ্ৰিকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয়

সময় অনুসৰি চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, দক্ষিণ আফ্ৰিকাই দুখন খেলত জয় লাভ কৰি গ্ৰুপত দ্বিতীয় স্থানত আছে।

০০০০০০০০০

ইজৰাইলৰ বিৰুদ্ধে ক্ষেপনাস্ত্ৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত আমেৰিকাই ইৰাণৰ শক্তি বাণিজ্যৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰাৰ কথা ঘোষণা কৰিছে। আমেৰিকাৰ বিদেশ মন্ত্ৰী এণ্টনি ব্লিংকেনে কয় যে, আমেৰিকাই ইতিমধ্যে ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা ৰাজহ ব্যৱস্থা বন্ধ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। আমেৰিকাৰ বিত্ত আৰু বিদেশ বিভাগে কালি এই নিষেধাজ্ঞাৰ কথা ঘোষণা কৰে। ইজৰাইলে ক্ৰমাৎ বৃদ্ধি পোৱা উত্তেজনাৰ মাজতে ইৰাণৰ বিৰুদ্ধে প্ৰতিযোধমূলক সামৰিক ব্যৱস্থা গ্ৰহণৰ কথা চিন্তা কৰিছে। আমেৰিকাই ইৰাণৰ পেট্ৰ'লিয়াম আৰু পেট্ৰ'কেমিকেল সামগ্ৰী পৰিবহণ ক্ষেত্ৰত ১০টা সত্তাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা বুলি প্ৰকাশ কৰিছে।

আমেৰিকাৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা জেক চুলিভানে কয় যে, এই ব্যৱস্থাই ইৰাণক ক্ষেপণাস্ত্ৰ কাৰ্যসূচীত সহায় কৰা আৰ্থিক সম্পদৰ পৰা বঞ্চিত কৰাত সহায় কৰিব। এই নিষেধাজ্ঞাৰ ফলত আমেৰিকাত ইৰাকী সত্তাসমূহৰ সম্পত্তি নিচ্ছিহ্ন কৰা হ'ব।

হামাছৰ মুৰব্বী ইছমাইল হানিয়েহে আৰু হিজবুল্লাহৰ নেতা হাছান নাছাৰাল্লাহৰ হত্যাৰ প্ৰতিযোধ হিচাপে ইৰাণে ১ অক্টোবৰত ইজৰাইলৰ ওপৰত ক্ষেপণাস্ত্ৰ আক্ৰমণ চলাইছিল। ইফালে, আমেৰিকাই ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীৰ সৈতে সমন্বয় সাধন কৰি ইজৰাইলক এই আক্ৰমণৰ পৰা ৰক্ষা কৰে।

০০০০০০০০০

দক্ষিণ ৰে'লৰেৰ চেন্নাই সংমণ্ডলৰ গুম্মীডিপুণ্ডিৰ সমীপৰ কাউৰাপেট্টাইত যোৱানিশা সংঘটিত ৰে'ল দুৰ্ঘটনাটোৰ সন্দৰ্ভত এটা উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। ঘটনাটোত সামগ্ৰী কঢ়িওৱা ৰে'লৰ খুন্দাত মহিশূৰ-দ্বাৰভাংগা বাগমতি এক্সপ্ৰেছ ৰে'লগাড়ীখন ৰে'ল লাইনৰ পৰা আঁতৰি পৰে। ইয়াৰ ফলত কমেও ১২টাৰ পৰা ১৩টা ডবা লাইনচ্যুত হয়। এই ঘটনাত হতাহতৰ কোনো খবৰ অহা নাই যদিও কেইবাজনো লোক আহত হৈছে। আহত লোকসকলক ওচৰৰ বিভিন্ন চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি থকা হৈছে। উচ্চ পৰ্যায়ৰ কমিটীৰ তদন্তৰ ফলাফলৰ পাছতেই দুৰ্ঘটনাটোৰ প্ৰকৃত কাৰণ জানিব পৰা যাব বুলি দক্ষিণ ৰে'লৰেৰ মহাপ্ৰবন্ধকগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, বৰ্তমান ৰে'লপথচোৱাৰ মেৰামতিৰ কাম পূৰ্ণগতিত চলি আছে আৰু ইয়াৰ বাবে ১০ ঘণ্টাতকৈও অধিক সময়ৰ প্ৰয়োজন হ'ব।

০০০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া তিনিখনীয়া টেষ্ট শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় ক্রিকেট দল ঘোষণা কৰা হৈছে। ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ পৰিষদ, বি চি চি আইৰ সম্পাদক জয় শ্বাহে কালি এখন বিজ্ঞপ্তিৰ জৰিয়তে ৰোহিত শর্মাই ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব বুলি ঘোষণা কৰে। বিজ্ঞপ্তি অনুসৰি আগশাৰীৰ বেগী বলাৰ যশপ্রীত বুমৰাহ দলৰ উপ অধিনায়ক হ'ব।

ooooooooo

**সমাপ্ত**